**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। দেশজুৰি কাইলৈ গণৰাজ্য দিৱস উদযাপন। গণৰাজ্য দিৱসৰ পৰিপ্ৰেক্ষিতত দিল্লীত নিশ্চিদ্ৰ নিৰাপত্তাৰ ব্যৱস্থা। ৰাজ্যতো গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ।

২। গণৰাজ্য দিৱস উদযাপনৰ পূৰ্বে আজি সন্ধিয়া ৭ বজাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ দেশবাসীক সম্বোধন।

৩। সমগ্ৰ দেশতে আজি পঞ্চদশ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস পালন।

৪। টাই-আহোম জনগোষ্ঠীৰ ঐতিহ্যৰ বিষয়ে দেশৰ বিভিন্ন প্ৰান্তত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত নৱ-প্ৰজন্মৰ ভূমিকা সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

*আৰু*

৫। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত পাঁচখনীয়া টী-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰত ইংলেণ্ডৰ মুখামুখি।

০০০০০০

দেশজুৰি কাইলৈ গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। গণৰাজ্য দিৱসৰ পৰিপ্ৰেক্ষিতত দিল্লীত নিশ্চিদ্ৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। দেশৰ এই ঐতিহাসিক ক্ষণত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে, তাৰ বাবে দিল্লীত ছয় তৰপীয়া সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে। দিল্লী আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি মহানগৰখনত অৰ্ধসামৰিক বাহিনীৰ ৭০ টাৰো অধিক কোম্পানীৰ লগতে ১৫ হাজাৰৰো অধিক আৰক্ষী নিয়োগ কৰা হ'ব। সুৰক্ষা ব্যৱস্থাত ড্ৰোণ আৰু চি চি টিভি ব্যৱহাৰ কৰা হ'ব। চাইবাৰ বিশেষজ্ঞই অহৰহ নিৰাপত্তা ব্যৱস্থাৰ নীৰিক্ষণ কৰিব। গণৰাজ্য দিৱসৰ পেৰেডৰ পথ আৰু কাষৰীয়া এলেকাত কমেও ৫০০ টা উচ্চ ক্ষমতাসম্পন্ন এ আই কেমেৰা স্থাপন কৰা হৈছে। কৰ্তব্যপথক ইতিমধ্যে সু-সজ্জিত কৰি তোলা হৈছে। এইবাৰৰ গণৰাজ্য দিৱসৰ কুচকাৱাজৰ প্ৰতীকপটৰ বিষয়বস্তু হৈছে **ঐতিহ্য আৰু বিকাশ**। প্ৰতীকপটৰ মাধ্যমেৰে দেশৰ ঐতিহ্য আৰু যোৱা কেইবাটাও দশক ধৰি দেশৰ বিকাশক তুলি ধৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ লগতে শোভাযাত্ৰাত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতীকপটে অংশগ্ৰহণ কৰিব।

গণৰাজ্য দিৱসৰ পৰিপ্ৰেক্ষিতত বাংলাদেশ সীমান্তত বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে। দেশখনৰ সৈতে থকা মুঠ চাৰি হাজাৰ ৯৬ কিলোমিটাৰ সীমান্তত বি এছ এফে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে।

দ্বীপৰাষ্ট্ৰ ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰব'ৱ' ছুবিয়াণ্টোৱে এইবাৰ গণৰাজ্য দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। মাৰ্চপাষ্টত প্ৰথমবাৰৰ বাবে ইণ্ডোনেছিয়াৰ এটা বৃহৎ দলে অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি ছুবিয়াণ্টো শুকুৰবাৰে নিশা নতুন দিল্লীত উপস্থিত হয়। আজি হায়দৰাবাদ হাউচত তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। অতিথি ৰাষ্ট্ৰপতিগৰাকী ৰাষ্ট্ৰপতি ভৱনত তেওঁৰ সন্মানাৰ্থে

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আয়োজন কৰা অভ্যৰ্থনাত উপস্থিত থাকিব। গণৰাজ্য দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া প্ৰব'ৱ' ছুবিয়াণ্টো হৈছে ইণ্ডোনেছিয়াৰ চতুৰ্থগৰাকী ৰাষ্ট্ৰপতি।

০০০০০০

ৰাজ্যত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। ৰে'ল আৰক্ষীয়েও ৰে'ললাইনসমূহত সতৰ্ক দৃষ্টি ৰাখিছে। পূৰ্ব নিৰ্ধাৰিত ঘোষণা অনুসৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ডিব্ৰুগড়ত প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় গণৰাজ্য দিৱস উদযাপনৰ বাবে সমগ্ৰ চহৰখনেই সুন্দৰভাৱে সজাই-পৰাই তোলা হৈছে। ইপিনে, খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে গুৱাহাটী মহানগৰীত নিৰাপত্তাকে ধৰি যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

কাৰ্বি আংলং জিলাৰ ডিফু চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ বাবে কুচ-কাৱাজৰ অনুশীলন কাৰ্যসূচীৰ কালি সামৰণি পৰে। গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি জিলাখনত বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি আগবঢ়োৱা কেইবাগৰাকী ব্যক্তিক চৰকাৰৰ অনুদান প্ৰদান কৰা হ'ব। শিলচৰত এই দিৱসৰ পৰিপ্ৰেক্ষিতত আইন-শৃংখলা সুনিশ্চিত কৰাৰ বাবে কাছাৰ আৰক্ষীয়ে পদযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰে। শিলচৰ সদৰ থানাৰ পৰা আৰম্ভ হোৱা এই পদযাত্ৰা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত সামৰণি পৰে। যোৰহাট জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে কালি যোৰহাট ক্ৰীড়া সন্থাৰ খেল পথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে কুচ-কাৱাজৰ চূড়ান্ত অনুশীলন নীৰিক্ষণ কৰে।

০০০০০০

গণৰাজ্য দিৱস উদযাপনৰ পূৰ্বে আজি সন্ধিয়া ৭ বজাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ৰাষ্ট্ৰপতিয়ে হিন্দীত দিয়া এই ভাষণৰ পাছতে ইয়াৰ ইংৰাজী ভাষান্তৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ এই ভাষণ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব। ৰাষ্ট্ৰপতিৰ এই ভাষণৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি নিশা ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাইলৈ পুৱা ৯ বজাত ৰাজ্যবাসীক উদ্দেশি ভাষণ দিব। ৰাজ্যপালৰ ভাষণৰ পৰিপ্ৰেক্ষিতত আমাৰ পুৱা ৯ বজাৰ আঞ্চলিক বাতৰি ৮ বাজি ৪৫ মিনিটত প্ৰচাৰ কৰা হ'ব।

আকাশবাণীয়ে কাইলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ নতুন দিল্লীৰ কৰ্তব্য পথত হ'বলগীয়া কুচকাৱাজ আৰু প্ৰতীকপট শোভাযাত্ৰা অনুষ্ঠান পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আনহাতে, কাইলৈ ৰাজ্যখনত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ আধাৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰই নিশা ৭ বাজি ৪৫ মিনিটত এখন বিশেষ অনাতাঁৰ প্ৰতিবেদন প্ৰচাৰ কৰিব। ইয়াৰ বাবে কাইলৈ নিশা ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকা প্ৰচাৰ কৰা নহয়।

০০০০০০

গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত অসম আৰক্ষীয়ে গুৱাহাটীৰ লতাশিল আৰু পাণবজাৰ অঞ্চলৰ বিভিন্ন পথেৰে আজি বিয়লি প্ৰাক্-গণৰাজ্য দিৱসৰ বিশেষ কুচকাৱাজৰ আয়োজন কৰিছে। কুচকাৱাজৰ এই সময়ছোৱাত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু সালসলনি ঘটোৱা হৈছে। সেই অনুসৰি লতাশিল খেলপথাৰৰ পৰা কুচকাৱাজ আৰম্ভ হোৱাৰ পাছত এম জি পথেৰে ভৰলুমুখৰ পৰা অহা সকলো বাহনে তাৰকাগৃহ পইণ্ট অভিমুখে যাব লাগিব। কুচকাৱাজে তৈয়বুল্লা পথ অতিক্ৰম কৰাৰ পাছত এই বাধা নাথাকিব। কুচকাৱাজ জিলা পুঁথিভৰাল অভিমুখে অগ্ৰসৰ হোৱাৰ পাছত এ টি ৰোডৰ পৰা জি এন বি ৰোডেৰে পাণবজাৰলৈ অহা বাহনসমূহ এ আৰ বি পথ হৈ আৰক্ষী আয়ুক্ত পইণ্টৰ দিশে যাব পাৰিব। কে এল বি পথেৰে কুচকাৱাজ অগ্ৰসৰ হোৱাৰ সময়ত টি চি পইণ্টৰ দিশৰ পৰা জি এন বি পথেৰে অহা বাহনসমূহে জিলা পুঁথিভৰাল পইণ্টত দিশ সলনি কৰি ৰিজাৰ্ভ বেংকৰ দিশে যাব পাৰিব। ভৰলুমুখৰ ফালৰ পৰা অহা বাহনসমূহৰ দিশ কটন কলেজিয়েট পথত সলনি কৰি এইছ বি পথেৰে যাব পাৰিব। জিলা পুঁথিভৰালৰ দিশৰ পৰা অহা বাহনসমূহ এইছ বি পথেৰে আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ দিশে যাব পাৰিব। আনহাতে, ৰাজভৱন-উজান বজাৰৰ পৰা অহা বাহনসমূহে তাৰকাগৃহ পইণ্টত গতিপথ সলাই লেম ৰোড হৈ আমবাৰীৰ দিশে যাব পাৰিব।

০০০০০০

গণৰাজ্য দিৱসৰ পূৰ্ব সন্ধিয়া প্ৰতিবছৰৰ দৰে এইবাৰো আকাশবাণীৰ অতি চৰ্চিত অনুষ্ঠান, সৰ্বভাষা কবি সন্মিলন আজি নিশা ১০ বজাত আকাশবাণীৰ সকলো নেটৱৰ্কৰ জৰিয়তে প্ৰচাৰ কৰা হ'ব। এই কবি সন্মিলনত দেশৰ প্ৰায় ৪০০ গৰাকী কবিয়ে একেখন মঞ্চতে কবিতা পাঠ কৰিব। ১৯৫৬ চনত আৰম্ভ হোৱা এই সৰ্বভাষা কবি সন্মিলনৰ জৰিয়তে সকলো ভাৰতীয় ভাষাৰ শ্ৰেষ্ঠ সমসাময়িক কবিতাসমূহ সমন্বিতভাৱে প্ৰস্তুত কৰি ৰাষ্ট্ৰীয় একতা আৰু ভাষিক সমন্বয়ক এখন সৃষ্টিশীল মঞ্চ প্ৰদান কৰাৰ প্ৰয়াস কৰি অহা হৈছে।

০০০০০০

সমগ্ৰ দেশতে আজি পঞ্চদশ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস পালন কৰা হৈছে। এই বছৰৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূলমন্ত্ৰ হৈছে **ভোটদানৰ দৰে একোৱেই নহয়, মই নিশ্চিতভাৱে ভোটদান কৰিম**। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূল কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কেন্দ্ৰীয় আইন আৰু ন্যায় বিভাগৰ মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু আন নিৰ্বাচন আয়ুক্তসকলে অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ পূৰ্ব-সন্ধিয়া দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কালি আকাশবাণীযোগে বিশেষ বাৰ্তা প্ৰদান কৰে।

***বাইট***

০০০০০০

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিবেশনৰ প্ৰস্তুতি পূৰ্ণগতিত চলি আছে। অধিৱেশনখন ব্যতিক্ৰমধৰ্মী কৰি তুলিবলৈকো উদযাপন সমিতিয়ে চেষ্টাৰ ত্ৰুটি ৰখা নাই। অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ বিশেষ প্ৰতিবেদন–

বাইট

০০০০০০

টাই-আহোম জনগোষ্ঠীৰ ঐতিহ্যৰ বিষয়ে দেশৰ বিভিন্ন প্ৰান্তত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত নৱ-প্ৰজন্মই বিশেষ ভূমিকা পালন কৰিব পাৰে। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি

ডিব্ৰুগড়ৰ টেঙাখাটত আয়োজিত তৃতীয় টাই-জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱত অংশগ্ৰহণ কৰি এইদৰে কয়। শ্ৰী সোণোৱালে কয়, যে বৰ্ণাঢ্য কলা-সংস্কৃতি, খাদ্য, বস্ত্ৰকে ধৰি অন্যান্য সা-সম্ভাৰেৰে উদ্ভাসিত হৈ উঠা এই সাংস্কৃতিক মহোৎসৱে টাই-আহোম জনগোষ্ঠীৰ যুগমীয়া ঐতিহ্য পৰম্পৰাক প্ৰতিফলিত কৰিছে। টাই সকলৰ বৰ্ণাঢ্য সামাজিক-সাংস্কৃতিক ইতিহাস আছে বুলি মন্তব্য কৰি শ্ৰী সোণোৱালে অনাগত দিনত স্বাভিমানেৰে মূৰ তুলি থিয় হৈ থাকিবলৈ বৃহত্তৰ অসমীয়া জাতিৰ ভেঁটি ঐক্যবদ্ধভাৱে সুদৃঢ় কৰিব লাগিব বুলি মন্তব্য কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ‘সবকা সাথ, সবকা বিশ্বাস, সবকা প্ৰয়াস’ নীতিৰ স্বৰ্গদেউ চাও-লুং-চ্যুকাফাৰ সাৰ্বজনীন মানৱীয় নীতিৰ সৈতে সামঞ্জস্য আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত মহাবীৰ লাচিত বৰফুকনৰ পৰাক্ৰমৰ কথা উল্লেখ কৰি মোগলক হেলাৰঙে পৰাভূত কৰা বীৰ পুৰুষগৰাকীৰ আদৰ্শেৰে ঐক্যবদ্ধ হৈ জাতিটোক শক্তিশালী কৰি ৰখাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত অসম ৰাজ্যিক শিক্ষা পৰিষদৰ মণ্ডল এক আৰু দুইৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু ৰঞ্জন কুমাৰ দাসৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত হ'বলগীয়া এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

**ভাৰত আৰু ইংলেণ্ডৰ মাজৰ ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱৰ নেতৃত্বৰ ভাৰতৰ দলটোৱে ইতিমধ্যে শৃংখলাটোত ১-শূন্যৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ প্ৰথম খন খেলত বুধবাৰে কলকাতাত ঘৰুৱা দলটোৱে আলহী দলটোক ৭ উইকেটত পৰাস্ত কৰিছিল।**

০০০০০০

## NEWSPAPER REVIEW

গণৰাজ্য দিৱসকলৈ দেশজুৰি চলা প্ৰস্তুতি তথা নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা, উত্তৰ-পূৰ্বাঞ্চলত অশান্তি সৃষ্টিৰ বাবে পাকিস্তানে চক্ৰান্ত চলোৱা, গুৱাহাটীত হ'বলগীয়া দ্বিতীয় এডভাণ্টেজ আছামৰ বাবে বিনিয়োগকাৰী বিচাৰি ৰাজ্য চৰকাৰৰ তৎপৰতাকে ধৰি কেইবাটাও খবৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

দেশজুৰি কাইলৈ গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতিৰ সমান্তৰালকৈ প্ৰশাসনৰ নিৰাপত্তা ব্যৱস্থা সুদৃঢ়কৰণৰ তৎপৰতাও অব্যাহত আছে। অসমীয়া খবৰকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে এই সম্পৰ্কীয় বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিষিদ্ধ ঘোষিত সংগঠন আলফা স্বাধীনৰ বাংলাদেশত চলা শেহতীয়া তৎপৰতা আৰু অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰিস্থিতি অশান্ত কৰি তুলিবলৈ পাকিস্তানে চক্ৰান্ত চলোৱাৰ বাতৰি এটা আজি নিয়মীয়া বাৰ্তা, অসমীয়া প্ৰতিদিন আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে **অসমসহ উত্তৰ-পূবত অশান্তি সৃষ্টিৰ ভয়াবহ চক্ৰান্ত পাকিস্তানৰ, আলফা স্বাধীনৰ সৈতে বাংলাদেশত**

**আই এছ আইৰ বৈঠক** আৰু অসমীয়া প্ৰতিদিন কাকতে **চুবুৰীয়া ৰাষ্ট্ৰৰ পৰিৱৰ্তিত পৰিস্থিতিৰ সুযোগ লোৱাৰ কুচকাৱাজ, বাংলাদেশত আকৌ ঘাটি পাতিবলৈ আলফাৰ তৎপৰতা** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে বাতৰিটোৰ শিৰোনাম দিছে **বাংলাদেশত পৰেশ বৰুৱাৰে আলোচনা আই এছ আই প্ৰতিনিধিৰ, কলকাতাৰ সংবাদ পত্ৰৰ বাতৰিকলৈ চোৰাংচোৱা মহলৰ চৰ্চা**।

বিশ্বখ্যাত জিঅ'গ্ৰাফিকেল আলোচনীত প্ৰকাশিত অসমত আৰ্চেনিকে জনস্বাস্থ্যলৈ ভাবুকি কঢ়িওৱা বিষয়ক এখন গৱেষণা পত্ৰৰ উদ্বেগজনক এটা খবৰ দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো **ব্ৰিষ্টল বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ বিজ্ঞানী ড০ জগন্নাথ বিশ্বকৰ্মাৰ গৱেষণাক লৈ বিশ্বজুৰি চৰ্চা, অসমৰ চাউলতো মাৰাত্মক আৰ্চেনিক** শিৰোনামাৰে প্ৰকাশ কৰা হৈছে।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এগৰাকী কিশোৰীক হাস্পতালখনৰে চাফাই কৰ্মীয়ে ধৰ্ষণ কৰাৰ এটা বাতৰি আমাৰ অসমকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

গুৱাহাটীত হ'বলগীয়া দ্বিতীয় এডভাণ্টে আছামলৈ বিনিয়োগৰাকীক আকৰ্ষণৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকীও মন্ত্ৰীয়ে বিভিন্ন ৰাষ্ট্ৰত উদ্যোগপতি-ব্যৱসায়ীসকলক সাক্ষাৎ কৰি অসমলৈ আমন্ত্ৰণ জনোৱাৰ বাতৰিটো দ্যা আছাম ট্ৰিবিউন, দি চেণ্টিনেল তথা দৈনিক অসমকে ধৰি কেইবাখনো কাকতে স্থান দিছে।

আহক এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে হিমাচল প্ৰদেশ আৰু পাঞ্জাৱৰ ঠায়ে ঠায়ে আজি শীত প্ৰৱাহ অব্যাহত থাকিব বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে পশ্চিমবংগ, পূব উত্তৰ প্ৰদেশ, ছিকিম আৰু বিহাৰৰ আজি পুৱা আৰু নিশাৰ ভাগত ঘন কুঁৱলীয়ে আৱৰি থাকিব বুলি প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি ওড়িশা, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাতো অহা দুদিনলৈ একেই পৰিৱেশ বাহাল থাকিব। অহা দুই-তিনি দিনত মধ্য ভাৰতৰ সৰ্বনিম্ন তাপমাত্ৰা দুইৰ পৰা তিনি ডিগ্ৰী ছেলছিয়াছলৈ হ্ৰাস পাব বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে।

বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান প্ৰতিষ্ঠানে জনোৱা মতে অসম আৰু অৰুণাচল প্ৰদেশৰ কোনো কোনো অংশত আজি পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ৰাজ্য দুখনৰ কোনো কোনো অংশত ধুমুহা-গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনাও প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান প্ৰতিষ্ঠানে প্ৰকাশ কৰা অনুসৰি গুৱাহাটীত আজি সৰ্বোচ্চ তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলচিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৬ ডিগ্ৰী ছেলচিয়াছৰ আশে পাশে থাকিব।

কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৩ দশমিক ২ ডিগ্ৰী ছেলচিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৬ দশমিক ৩ ডিগ্ৰী ছেলচিয়াছ।

০০০০০০

সমাপ্ত